# মাকুম পৌৰ সভাৰ কাৰ্য্যালয় । মাকুম জংচন ।

নংএম,এম,বি, ৩-৪। ২০২৪-২০২৫। ৩০৩ তাৰিখ ০১।০৩।২০২৫

ইয়াৰ দ্বাৰা মাকুম পৌৰ সভাৰ এলেকাধীন ১। দৈনিক শাক-পাচলী বজাৰ ও মুকলিকৈ বহা দোকান পোহাৰ আদিৰ পৰা আৰু ২। বাটে-পথে বহা দোকান পোহাৰ ফেৰিৱালা আদিৰ পৰা আগন্তক বিত্তীয় বৰ্ষ ২০২৫-২০২৬ চন অৰ্থাৎ ০১-০৪-২০২৫ ৰ পৰা ৩১-৩-২০২৬ চনলৈকে এক বছৰৰ বাবে দৈনিক মাচুল (খাজানা) তুলিবৰ বাবে নিম্ন স্বাক্ষৰকাৰীৰ কাৰ্য্যালয়ত বেলেগকৈ অহা ইং ২০।০৩।২০২৬ তাৰিখে সময় দিনৰ ৩.০০ বজালৈকে ইচ্ছুক নিবিদাকাৰী সকলৰ পৰা মোহৰ যুক্ত নিবিদা গ্ৰহন কৰা হব আৰু উক্ত সময়ত খোলা হব ।

ইচ্ছুক নিবিদাকাৰী সকলে নিজ নিজ নাম, ঠিকনা ও নিবিদাৰ নিৰিখ পৌৰ সভাৰ পৰা ১০০.০০(এশ) টকাৰ বিনিময়ত ক্ৰয় কৰা ফৰ্মত স্পষ্টকৈ লিখি নিবিদাৰ লগত মাকুম পৌৰ সভাৰ নামত ১। দৈনিক শাক-পাচলী বজাৰ ও মুকলিকৈ বহা দোকান পোহাৰ বজাৰৰ বাবে ২১০০০.০০(একৈশ হাজাৰ) আৰু ২। বাটে-পথে বহা দোকান পোহাৰ বজাৰৰ বাবে ১০০০০.০০(দশ হাজাৰ) টকা আমানত ধনৰাশি মাকুম পৌৰ সভাৰ নামত ডিমান্ড (Demand Draft) বা (Pay Order) সহ মোহৰ যুক্ত খামত বন্ধ কৰি দিব লাগিব । অসফল (অগ্ৰাহ্য) নিবিদাকাৰীৰ আমানত ধন ঘুৰাই দিয়া হব আৰু কোনো নিবিদাকাৰিয়ে নিজৰ নিবিদা ঘুৰাই ললে তেওঁৰ অমানত ধন বাজেয়াপ্ত কৰা হব । ওপৰত উল্লেখ কৰা মতে দুয়োটা বজাৰৰ বাবে বেলেগ বেলেগ ফৰ্ম ক্ৰয় কৰি দাখিল কৰিব লাগিব ।

নিবিদা ফৰ্ম ০১।০৩।২০২৫ তাৰিখৰ পৰা পৌৰ সভাৰ কাৰ্য্যালয় চলি থকা সময়ত ক্ৰয় কৰিব পাৰিব।

যাৰ নামত নিবিদা গ্ৰহন কৰা হব সেই ব্যক্তিয়ে পৌৰ সভাই আদেশ কৰা তাৰিখত চুক্তিবদ্ধ হব লাগিব আৰু তলত উল্লেখ কৰা মতে অমানত ধন আৰু প্ৰথম কিস্তিৰ ধন সেই দিনাই একেলগে জমা দিব লাগিব ।

সিপিঠিত

Scanned with OKEN Scanner

পৌৰ সভাই গ্ৰহন কৰা নিবিদাৰ সমুদাই ধনৰ ১।৮ অংশ জমানত ধন আৰু ১।৪ অংশ প্ৰথম কিস্তিৰ ধন একেলগে চুক্তি পত্ৰ সম্পাদন কৰা সময়ত জমা দিব লাগিব আৰু ২য় কিস্তিৰ বাবে থকা ধন ১।৮ অংশ ৩০জুন ২০২৫ৰ ভিতৰত , ৩য় কিস্তিৰ বাবে থকা ধন ১।৪ অংশ ৩০চেপ্তেম্বৰ ২০২৫ৰ ভিতৰত আৰু ৪ৰ্থ অৰ্থাৎ অন্তিম কিস্তি বাকী থকা সমুদাই ধন ৩০ডিচেম্বৰ ২০২৫ ৰ ভিতৰত জমা দিব লাগিব ।

উচ্চ বা নিম্ন হাৰৰ নিৰিখ গ্ৰহন কৰা ক্ষেত্ৰত নিম্নস্বাক্ষৰকাৰীৰ সম্পূৰ্ণ অধিকাৰ থাকিব ।

উপৰোক্ত স্বৰ্ত সমূহ পূৰণ নকৰা নিবিদা অগ্ৰাহ্য বুলি গণ্য কৰা হব ।

পৌৰ সভাৰ নিৰিখ -

১। দৈনিক শাক-পাছলি বজাৰ ও মুকলিকৈ বহা দোকান আদিৰ বাবে ১১,৬০,৫০০ টকা

২। বাটে-পথে বহা দোকান পোহাৰ ফেৰিৱালা আদিৰ বাবে নিম্নতম মুল্য ২,৩৯,১৩২.০০ টকা

উপৰোক্ত দুয়োটা নিৰিখতকৈ কম নিৰিখত নিবিদা গ্ৰহণ কৰা নহব ।

নিবিদাকাৰিয়ে পৌৰ সভাৰ বান্ধি দিয়া নিৰিখতকৈ উচ্চ হাৰত মাচুল সংগ্ৰহ কৰিব নোৱাৰিব ।

নিবিদাকাৰিয়ে নিবিদা চুক্তিৰ সময়ত প্ৰয়োজনীয় ষ্টাম্প ডিউটি পৰিষোধ কৰিব লাগিব ।

স্বা: /-
কাৰ্য্যবাহী বিষয়া
মাকুম পৌৰ সভা

স্মাৰক নং এম,এম,বি, ৩-৪।২০২৪-২০২৫।৬০৬৫ তাং ০১।০৩।২০২৫

ইয়াৰ প্ৰতিলিপি জ্ঞাতাৰ্থে আৰু বহুল প্ৰচাৰৰ বাবে -

১। উপায়ুক্ত, তিনিচুকীয়া জিলা । তিনিচুকীয়া ।
২। সঞ্চালক, পৌৰ প্ৰশাসন । গুৱাহাটী, অসম ।
৩। স্থানীয় ডাকঘৰৰ জাননী ফলক ।
৪। মাকুম আৰক্ষী থানাৰ জাননী ফলক ।
৫। মাকুম ৰেলওৱে ষ্টেচনৰ জাননী ফলক ।
৬। মাকুম পৌৰ সভাৰ জাননী ফলক ।
৭। মাকুম পৌৰ সভাৰ কাৰ্যালয়ৰ নথি ।

কাৰ্য্যবাহী বিষয়া
মাকুম পৌৰ সভা

কাৰ্য্যবাহী বিষয়া
মাকুম পৌৰ সভা